# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 25-10-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**::::::::::::::::::::::::::::::**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া আসন্ন উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনা ২৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। উপ-নিৰ্বাচনৰ বাবে আটাইকেইটা ৰাজনৈতিক দল তথা নিৰ্দলীয় প্ৰাৰ্থীকে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। আজি বিহালী বিধানসভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী জয়ন্ত বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীগৰাকীক কংগ্ৰেছৰ ৰাজ্যিক সমিতিৰ শীৰ্ষ নেতৃত্বৰ লগতে সাংসদ গৌৰৱ গগৈ উপস্থিত থাকে। আনহাতে ছিদলী বিধানসভা সমষ্টিৰ বি পি এফৰ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে আজি বি পি এফ প্ৰধান হাগ্ৰামা মহিলাৰীৰ উপস্থিতিত মনোনয়ন-পত্ৰ দাখিল কৰে। বঙাইগাঁৱৰ অগপৰ প্ৰাৰ্থী দীপ্তিময়ী চৌধুৰীয়েও বহু সমৰ্থকৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। তেওঁৰ লগত দলৰ সভাপতি অতুল বৰাকে ধৰি বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, সাংসদ ফণী ভূষণ চৌধুৰী, ইউ পি পি এল দলৰ সাংসদ জয়ন্ত বসুমতাৰী, ৰাজ্য সভাৰ সাংসদস ৰণগৌড়া নাৰ্জাৰীকে ধৰি কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে। সমষ্টিটোৰ কংগ্ৰেছৰ প্ৰাৰ্থী ব্ৰজেন জিৎ সিংহয়ো আজি মনোনয়ন পত্ৰ দাখিল কৰে। সিংহই মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছ্ দলৰ জ্যেষ্ঠ নেতাদ্বয় ভূপেন বৰা আৰু মীৰা বৰঠাকুৰ উপস্থিত থাকে।

ইপিনে, আম আদমী পাৰ্টীৰ প্ৰাৰ্থী অনন্ত গগৈয়ে বিহালীত আৰু নুৰুল আমীন চৌধুৰীয়ে চামগুৰিত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলপৰ্বত নুৰুল আমীন চৌধুৰীৰ লগত আপৰ ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ দলীয় নেতা উপস্থিত থাকে। অনন্ত গগৈৰ সৈতেও দলৰ ৰাষ্ট্ৰীয় তত্বাৱধায়ক ৰাজেশ শৰ্মাকে ধৰি ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো নেতা উপস্থিত থাকে।

০০০০

আবুধাবিত অনুষ্ঠিত পঞ্চম IUCN SSC Leaders সন্মিলনত সংৰক্ষণৰ নেতৃত্বৰ বাবে আৰণ্যক সংগঠনৰ মুখ্য কাৰ্যবাহী বিষয়া তথা অসম ৰাজ্যিক বন্য প্ৰাণী বোৰ্ডৰ সদস্য ড০ বিভৱ তালুকদাৰক সন্মানীয় হেৰি মেছেল বঁটা প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ড০ তালুকদাৰলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে অসমৰ গড় সংৰক্ষণৰ সাফল্যক বিশ্ব দৰবাৰলৈ অনাৰ ক্ষেত্ৰত ড০ বিভৱ তালুকদাৰৰ প্ৰচেষ্টাক প্ৰশংসা কৰে।

০০০০

ৰাজ্যৰ ২৮ খন জিলাত ৪২টা বিভাগৰ তৃতীয় আৰু চতুৰ্থবৰ্গৰ মুঠ পাঁচ হাজাৰ ২৩টা খালী পদৰ বাবে এই পৰীক্ষা পৰহিলৈ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা দশম শ্ৰেণী উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে আৰু ডেৰ বজাৰ পৰা অষ্টম শ্ৰেণী

উত্তীৰ্ণ প্ৰাৰ্থীৰ বাবে এই পৰীক্ষা অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে দুয়োবেলাৰ পৰীক্ষাত ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে মহিলা পৰীক্ষাৰ্থীৰ তালাচীৰ বাবে অংগনবাড়ী কৰ্মীৰ নিয়োগ কৰা হ'ব বুলি নিযুক্তি আয়োগে জানিবলৈ দিয়ে। প্ৰশিক্ষাৰ্থীসকলৰ সুবিধাৰ্থে উত্তৰ পূৱ সীমান্ত ৰেলৱে পৰহিলৈ ৰাজ্যখনত ৫ খন বিশেষ ৰেলৰ চলাচলৰ ব্যৱস্থা কৰিছে। এই বিশেষ ৰেলসমূহৰ চলাচল কাইলৈৰ পৰা আৰম্ভ হ'ব। ৰেলৰ সূচী অনুসৰি চলাচল কৰিবলগীয়া বিশেষ ৰেলগাড়ীকেইখন হল কৰিমগঞ্জ-শিলচৰ-কৰিমগঞ্জ, মৰিয়নি-নাৰেঙ্গী-মৰিয়নি, হয়বৰগাওঁ-গুৱাহাটী-হয়বৰগাওঁ, আলিপুৰ দুৱাৰ-কামাখ্যা-আলিপুৰ দুৱাৰ আৰু জামিৰা-শিলচৰ-জামিৰা। পৰীক্ষাৰ্থীসকলে তেওঁলোকৰ নিকটৱৰ্তী ৰেল ষ্টেছনত খবৰ কৰিলে বিতং তথ্য জানিব পাৰিব বুলি ৰেল কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০

অষ্টম চলচিত্ৰম ৰাষ্ট্ৰীয় চলচিত্ৰ মহোৎসৱ-২০২৪ কাইলৈ আৰু পৰহিলৈ গুৱাহাটীৰ জ্যোতি চিত্ৰবনত অনুষ্ঠিত হ'ব। এই মহোৎসৱত ৫০ খন তথ্যচিত্ৰ আৰু চুটি ছবিৰ প্ৰদৰ্শন কৰা হ'ব। প্ৰতিযোগিতা আৰু প্ৰদৰ্শনী- এই দুয়োটা শাখাত ছবিসমূহ প্ৰদৰ্শন কৰা হ'ব। বিশ্ব সংবাদকেন্দ্ৰ, অসমৰ সহযোগী অনুষ্ঠান চলচিত্ৰমৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ মূল বিষয়বস্তু হৈছে- **আমাৰ ঐতিহ্য আমাৰ গৌৰৱ**। মূল বিষয়বস্তুৰ উপৰি মহোৎসৱত ভূমি আৰু মানুহ, পৰ্যটন, কলা, হস্তশিল্প আৰু বস্ত্ৰ, পাণ্ডুলিপি আৰু পাণ্ডুলিপি চিত্ৰাংকন, চিত্ৰাংকন আৰু কাঠত খোদাই কৰা কলা, সংগীত আৰু সংগীতজ্ঞ, সাংস্কৃতিক উৎসৱ, স্মৃতি সৌধ আৰু ঐতিহ্যক্ষেত্ৰ, সমাজ সংস্কাৰক আৰু আগৰণুৱাসকলক, ক্ৰীড়া, চাহ আৰু তৈল উদ্যোগ, সংস্কৃতি আৰু মূল্যবোধ, সামাজিক সজাগতা, পৰিয়াল ব্যৱস্থা, মহিলা, পৰিৱেশ আদি বিষয়কো প্ৰাধান্য দিয়া হৈছে। চলচ্চিত্ৰৰ জৰিয়তে ৰাষ্ট্ৰীয়তাবাদক উৎসাহিত কৰাৰ লগতে ভাৰতৰ কেইবা হাজাৰবৰ্ষ পূৰণি সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যক শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে দুদিনীয়াকৈ এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

০০০০

থাইলেণ্ডত অনুষ্ঠিত এছিয়ান যোগ ক্ৰীড়া চেম্পিয়নশ্বিপত মৰিগাওঁৰ জাহ্নবী গোস্বামীয়ে দুটাকৈ সোণৰ পদক লাভ কৰি ভাৰত তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। জাহ্নবীয়ে নিজৰ ব্যতিক্ৰমী যোগৰ প্ৰদৰ্শন কৰি পৰম্পৰাগত আৰু কলাত্মক দুয়োটা শাখাতে সোণৰ পদক অৰ্জন কৰে।

০০০০

শ্ৰীমন্ত শংকৰ মিছন আৰু সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্মাৰ আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৩ বছৰ। শৰ্মাৰ মৃত্যুত ৰাজ্যৰ পৰিবহন মন্ত্ৰী কেশৱ মহন্ত, জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকা, নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাকে ধৰি বহু দল সংগঠন তথা বিশিষ্ট ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমৱেদনা জ্ঞাপন কৰিছে।

০০০০

সমাপ্ত